**NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 25**-01-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

গণৰাজ্য দিৱসৰ পূৰ্ব সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া ৭ বজাত ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ৰাষ্ট্ৰপতিয়ে হিন্দীত দিয়া এই ভাষণৰ পাছতে ইয়াৰ ইংৰাজী ভাষান্তৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ এই ভাষণ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব। ৰাষ্ট্ৰপতিৰ এই ভাষণৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি নিশা ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাইলৈ পুৱা ৯ বজাত ৰাজ্যবাসীক উদ্দেশি ভাষণ দিব। ৰাজ্যপালৰ ভাষণৰ পৰিপ্ৰেক্ষিতত আমাৰ পুৱা ৯ বজাৰ আঞ্চলিক বাতৰি ৮ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'ব।

আকাশবাণীয়ে কাইলৈ ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ নতুন দিল্লীৰ কৰ্তব্য পথত হ'বলগীয়া কুচকাৱাজ আৰু প্ৰতীকপট শোভাযাত্ৰা অনুষ্ঠান পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব। আনহাতে, কাইলৈ ৰাজ্যখনত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ আধাৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰই নিশা ৭ বাজি ৪৫ মিনিটত এখন বিশেষ অনাতাঁৰ প্ৰতিবেদন প্ৰচাৰ কৰিব। ইয়াৰ বাবে কাইলৈ নিশা ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকা প্ৰচাৰ কৰা নহয়।

ooooo

গণৰাজ্য দিৱস উপলক্ষে প্ৰতিবছৰৰ দৰে এইবাৰো আকাশবাণীৰ অতি চৰ্চিত অনুষ্ঠান, সৰ্বভাষা কবি সন্মিলন আজি নিশা ১০ বজাত আকাশবাণীৰ সকলো নেটৱৰ্কৰ জৰিয়তে প্ৰচাৰ কৰা হ'ব। এই কবি সন্মিলনত দেশৰ প্ৰায় ৪০০ গৰাকী কবিয়ে একেখন মঞ্চতে কবিতা পাঠ কৰিব। অসমীয়া ভাষাৰ কবি ৰাজীৱ বৰুৱা আৰু বড়ো ভাষাৰ কবি মাইনাওশ্ৰী দৈমাৰীয়ে এই কবি সন্মিলনত ভাগ ল'ব। উল্লেখযোগ্য যে ১৯৫৬ চনত এই সৰ্বভাষা কবি সন্মিলন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছিল। এই সন্মিলনৰ জৰিয়তে ভাৰতীয় ভাষাৰ শ্ৰেষ্ঠ সমসাময়িক কবিতাসমূহ একত্ৰিত কৰি ৰাষ্ট্ৰীয় একতা আৰু ভাষিক সমন্বয়ক এখন সৃষ্টিশীল মঞ্চ প্ৰদান কৰাৰ প্ৰয়াস কৰি অহা হৈছে।

oooooooo

ৰাজ্যত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। দেশৰ এই ঐতিহাসিক ক্ষণত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। ৰে'ল আৰক্ষীয়েও ৰে'ললাইনসমূহত সতৰ্ক দৃষ্টি ৰাখিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। মুখ্যমন্ত্ৰীয়ে তেওঁৰ জাপান ভ্ৰমণ সামৰি আজি ডিব্ৰুগড়লৈ ৰাওনা হোৱাৰ কথা। গুৱাহাটীৰ

খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। ইয়াৰ বাবে গুৱাহাটী মহানগৰীত নিৰাপত্তাকে ধৰি যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে জিলাসমূহত গণৰাজ্য দিৱসত হ'বলগীয়া কুচকাৱাজৰ অনুশীলন সম্পূৰ্ণ হৈছে।

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ উপৰি ভালেমান জিলাত আজি বিয়লি প্ৰাক-গণৰাজ্য দিৱসৰ কুচকাৱাজৰ আয়োজন কৰা হৈছে। ইয়াৰ প্ৰৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰীত কুচকাৱাজৰ সময়ছোৱাত যান-বাহন চলাচলৰ ক্ষেত্ৰত পথৰ কিছু সাল-সলনি কৰা হৈছে।

ooooo

বি টি চি নিৰ্বাচনৰ দিন ঘোষণাৰ পূৰ্বেই বি টি আৰত বিভিন্ন ৰাজনৈতিক দলসমূহে নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছে। শালবাৰীস্থিত জিলা বি পি এফৰ কাৰ্যালয়ত কালি দলীয় কৰ্যকৰ্তা আলটাব হুছেইন আৰু দলৰ কেন্দ্ৰীয় সমিতিৰ মুখপাত্ৰ বেগম আখতাৰা আহমেদে মথনগুৰী পৰিষদীয় সমষ্টিত প্ৰাৰ্থীত্ব বিচাৰি জিলা সমিতিৰ জৰিয়তে দলৰ মূৰববী হাগ্ৰামা মহিলাৰীলৈ প্ৰেৰণ কৰে। একেদৰে শালবাৰী পৰিষদীয় সমষ্টিৰ বাবে দিগন্ত গয়াৰী, নকুল বড়ো আৰু কমল চন্দ্ৰ বড়োৱে জিলা সমিতিৰ জৰিয়তে মনোনয়ণ পত্ৰ প্ৰেৰণ কৰে।

ooooooooo